

# সাম্প্ৰতিক শিক্ষা আৰু যুগোপযোগী পদক্ষেপ

**দীপাংক কুমাৰ নাথ**
প্ৰাক্তন ছাত্ৰ,
সভাপতি, সদৌ অসম ছাত্ৰ সন্থা

প্ৰকৃত শিক্ষা ব্যৱস্থাই একো একোজন লোকক বিদ্বান, শিক্ষিত আৰু সংস্কৃতিবান কৰি গঢ়ি তোলে। জাতীয় জীৱনৰ মহত্ব প্ৰকাশিত হয় এখন ৰাজ্যৰ সুপৰিকল্পিত শিক্ষা ব্যৱস্থাত। শিক্ষাই আধ্যাত্মিক, বৌদ্ধিক আৰু সামাজিক দিশত প্ৰতিষ্ঠিত কৰি মানুহক সম্পূৰ্ণ মানুহ কৰি গঢ়ি তোলে। ১৮৫৪ চনত আধুনিক শিক্ষাৰ ‘চনদ’ উদৰ ঘোষণা পত্ৰৰ পিছত ভাৰতবৰ্ষত প্ৰাথমিক, মজলীয়া, হাইস্কুল, মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয় শিক্ষাৰ আৰম্ভণি হয়। ভাৰতবৰ্ষ স্বাধীন হোৱাৰ পিছত ১৯৪৮ চনত ৰাধাকৃষ্ণণ আয়োগৰ পৰা ১৯৯২ চনৰ শিক্ষা নীতি (সংশোধিত) আৰ টি আই ২০০৯ৰ পৰা ইউ জি চি নতুন অধিনিয়মাৱলী (২০১০) লৈকে দেশৰ প্ৰয়োজনীয় শিক্ষণ প্ৰক্ৰিয়াৰ উৎকৃষ্টতাৰ ওপৰত মনোনিৱেশ কৰা হৈছে।

চলিত শিক্ষা ব্যৱস্থাত ১৯৬৪-৬৬ চনৰ কোঠাৰী আয়োগৰ পৰামৰ্শৰলী মৰ্মে ১০+২+৩ পদ্ধতিত শিক্ষাদান চলি আছে। অসমতো একেই পদ্ধতিত শিক্ষানুষ্ঠানসমূহ চলি আছে। সাম্প্ৰতিক অসমত চলি থকা অপ্ৰীতিকৰ পৰিৱেশ আৰু শিক্ষা জগতত হুৰমুৰকৈ লোৱা সিদ্ধান্তই চিন্তাশীল আৰু মননশীল লোকক হতাশ কৰি পেলাইছে। ত্ৰুটিপূৰ্ণ শিক্ষা ব্যৱস্থাই সভ্যতা আৰু সংস্কৃতিৰ বিকাশত সৰ্বস্তৰত বাধাৰ সৃষ্টি কৰে। ত্ৰুটিপূৰ্ণ শিক্ষা ব্যৱস্থাই মানৱ জীৱনৰ বিকাশৰ সমল হ’ব নোৱাৰে। অপৰিকল্পিত, অনুপ্ৰেৰণাহীন, অবৈজ্ঞানিক শিক্ষাই জাতিক ধ্বংসৰ মুখলৈ ঠেলি দিব পাৰে। এনে শিক্ষাৰ ফলত মূল্যবোধৰ শিক্ষা নহৈ প্ৰমূল্যবিহীন

নিম্নস্তৰৰ মানসিকতাই সমাজত প্ৰভাৱ বিস্তাৰ কৰে। শিক্ষা জগতত সামূহিক দায়বদ্ধতা আৰু মূল্যবোধে যিকোনো পৰিস্থিতিৰ যোগাত্মক পৰিৱৰ্তন ঘটাব পাৰে। অসমৰ উচ্চ শিক্ষাৰ বাস্তৱক্ষেত্ৰসমূহত আমূল পৰিৱৰ্তনৰ পদক্ষেপ গ্ৰহণ কৰিব লাগে। অন্যথা নতুন প্ৰজন্মই যুগোপযোগী শিক্ষাৰ পৰা বঞ্চিত হ'ব। দেশৰ চৰকাৰী অনুদানপ্ৰাপ্ত বিদ্যালয়, মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়সমূহৰ সন্মুখত বিপুল প্ৰত্যাহ্বান আহি পৰিছে। ব্যক্তিগত শিক্ষানুষ্ঠান আৰু চৰকাৰী অনুদানপ্ৰাপ্ত শিক্ষানুষ্ঠানৰ মাজত আজি ব্যাপক ব্যৱধান আহি পৰিছে। দেশৰ চৰকাৰী অনুদানপ্ৰাপ্ত শিক্ষানুষ্ঠানসমূহৰ সন্মুখত দেখা দিছে সমান্তৰাল অন্য এক শিক্ষা ব্যৱস্থা। ব্যয়বহুল ব্যক্তিগত শিক্ষানুষ্ঠানসমূহে বাস্তৱবাদী, সময়োপযোগী শিক্ষা দিবলৈ প্ৰতিযোগিতাত অৱতীৰ্ণ হৈছে চৰকাৰী প্ৰতিটো স্তৰৰ শিক্ষানুষ্ঠানৰ লগত। গতিকে বাস্তৱবাদী কৰ্মপদ্ধতি যুগুত কৰি চৰকাৰী অনুদানপ্ৰাপ্ত শিক্ষানুষ্ঠানসমূহে ফলপ্ৰসু পদক্ষেপ গ্ৰহণ কৰিব লাগিব। অন্যথা প্ৰতিযোগিতাৰ পৃথিৱীত চৰকাৰী শিক্ষানুষ্ঠান বৰ্তি নাথাকিব।

ৰাজ্যখনৰ শিক্ষাৰ পৰিকাঠামো শক্তিশালী কৰিবলৈ প্ৰধানত কথাকেইটা হ'ল-উপযুক্ত শিক্ষকৰ নিযুক্তি, শ্ৰেণীকোঠৰ সঠিক ব্যৱস্থা, উপযুক্ত পাঠ্যক্ৰম আৰু সত্যনিষ্ঠ মূল্যায়ন। যুগোপযোগী শিক্ষা বুলিলে স্বাভাৱিকতে শিক্ষক, শিক্ষাৰ্থী, পাঠ্যক্ৰম ব্যৱস্থাপনা আৰু সঠিক মূল্যায়নক বুজায়। উপযুক্ত পাঠ্যপুথিৰ অভাৱেও ছাত্ৰ-ছাত্ৰীৰ জ্ঞান আহৰণত বহু সময়ত হেঙাৰ হৈ আহিছে। আমাৰ পুৰণি পদ্ধতিৰে শিক্ষাগ্ৰহণ কৰা পৰম্পৰা পৰিহাৰ কৰি শিক্ষিত নিবনুৱাসকলৰ কৰ্মসংস্থাপনৰ দুৱাৰ মুকলি কৰিবলৈ শিক্ষানুষ্ঠানসমূহে নতুন চিন্তাৰে কৌশল আয়ত্ত কৰি প্ৰয়োজনীয় সম্ভাৱনাপূৰ্ণ ক্ষেত্ৰসমূহত দখল কৰিব পৰাকৈ পাঠ্যক্ৰম, বিষয় অন্তৰ্ভূক্ত কৰিব লাগিব। কিছুদিন আগতে বিশ্ববিদ্যালয় অনুদান আয়োগৰ উত্তৰ-পূব মাণ্ডলিক কাৰ্যালয়ৰ যোগেদি প্ৰচাৰিত এক প্ৰতিবেদনত অসমৰ উচ্চ শিক্ষাৰ সংকটৰ শংকা প্ৰকাশ কৰি কৈছে— 'প্ৰতিবছৰে বুজন সংখ্যক ছাত্ৰ-ছাত্ৰী উচ্চ শিক্ষাগ্ৰহণ কৰিবলৈ মুম্বাই, পুণে, বাংগালোৰ, দিল্লী আদি ৰাজ্যলৈ উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহৰ পৰা গৈ আছে'। গতিকে সময় থাকোঁতে আমাৰ শিক্ষানুষ্ঠানসমূহৰ বিভাগসমূহ যুগৰ উপযোগী কৰি নুতুলিলে, ভৱিষ্যৎ প্ৰজন্ম সম্ভাৱনাপূৰ্ণ ক্ষেত্ৰসমূহৰ পৰা বঞ্চিত হ'ব। আৰ্থিকভাৱে স্বচ্ছলসকলে দেশৰ আন ঠাইলৈ গৈ চাকৰি যোগাৰ কৰিব কিন্তু গাঁৱে-ভূঞে বসবাস কৰা সাধাৰণ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ বাবে শিক্ষানুষ্ঠানসমূহে শৈক্ষিক সিদ্ধান্ত লোৱা বাঞ্ছনীয়।

দেশৰ উচ্চ শিক্ষাৰ শিক্ষানুষ্ঠানসমূহে প্ৰৱৰ্তন কৰা কৰ্মসংস্থাপনমুখী শিক্ষাৰ প্ৰতি ছাত্ৰ-ছাত্ৰীৰ আগ্ৰহ বৃদ্ধি পাইছে। ফলত ৰাজ্যখনৰ শিক্ষানুষ্ঠানসমূহৰ পৰম্পৰাগত শৈক্ষিক বিষয়সমূহ তীব্ৰ প্ৰত্যাহ্বানৰ সন্মুখীন হৈছে। বহিঃবিশ্বৰ বজাৰত কৰ্মসংস্থাপনৰ চাহিদাৰ প্ৰতি লক্ষ্য ৰাখি আমাৰ শিক্ষানুষ্ঠানৰ বিষয়সমূহো যুগোপযোগী কৰি প্ৰস্তুত কৰিব লাগিব। এই সন্দৰ্ভত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য বিশিষ্ট বিজ্ঞানী ড° কুলেন্দু পাঠক ছাৰে কৈছে— একবিংশ শতিকা পৰিৱৰ্তনৰ শতিকা। বৰ্তমানৰ বৌদ্ধিক, আৰ্থিক আৰু অন্যান্য অগ্ৰগতি বিজ্ঞান প্ৰযুক্তিৰ যথাযথ প্ৰয়োগ আৰু পৰিচালনাৰ ওপৰত নিৰ্ভৰশীল। এই পৰিৱৰ্তনৰ সময়ত আমিও শিক্ষানুষ্ঠানত শিকণ, মূল্যবোধ আৰু অগ্ৰগতি সম্পৰ্কে চিন্তা কৰা উচিত। গতিকে এনে সন্ধিক্ষণত চৰকাৰ জনসাধাৰণ উভয়েই অসমৰ প্ৰকৃত শৈক্ষিক উত্তৰণৰ বাবে, শিক্ষাপ্ৰত্যাশী নতুন প্ৰজন্মৰ বাবে ফলপ্ৰসু পদক্ষেপ লওঁ আহক।

“ ৰাজ্যখনৰ শিক্ষাৰ পৰিকাঠামো শক্তিশালী কৰিবলৈ প্ৰধানত কথাকেইটা হ'ল-উপযুক্ত শিক্ষকৰ নিযুক্তি, শ্ৰেণীকোঠৰ সঠিক ব্যৱস্থা, উপযুক্ত পাঠ্যক্ৰম আৰু সত্যনিষ্ঠ মূল্যায়ন। যুগোপযোগী শিক্ষা বুলিলে স্বাভাৱিকতে শিক্ষক, শিক্ষাৰ্থী, পাঠ্যক্ৰম ব্যৱস্থাপনা আৰু সঠিক মূল্যায়নক বুজায়। উপযুক্ত পাঠ্যপুথিৰ অভাৱেও ছাত্ৰ-ছাত্ৰীৰ জ্ঞান আহৰণত বহু সময়ত হেঙাৰ হৈ আহিছে।



# নামৰ সুৰত তিতি

**ড° ফণীভূষণ দাস**

প্ৰাক্তন মুৰব্বী অধ্যাপক, দৰ্শন বিভাগ

মাজৰাতি
নামৰ সুৰত তিতিছোঁ
মই মোক আঁকিছোঁ
জ্বলি থকা এগছি
বিষাদ এছাটি কৰি

চাপৰিৰ তালে তালে
ভোৰতালৰ ছেঁৰে ছেঁৰে
কঁপি কঁপি নাচিছোঁ
ৰঙচুৰা হৈ

পৰাণ নিগৰা ভকতৰ কণ্ঠত
ফুলামকৈ ফুলিছে আকাশ
আজলী তৰাই থৰ হৈ টুকিছে
চকুপানী টোপাল

ভূমিৰ বুকুতো ফুলিছে
ভূমি চম্পাময় সুৰৰ ৰাগী

অলৌকিক লয়ৰ সুঁতি এটি হৈ
কপিছে যেন নিচুক গাঁওখনি

সেয়ে নেকি
উজাগৰী গঞাৰ দুচকুৰে
নীলাকৈ আঁকিছে আন্ধাৰ-আঁচল

সবাৰে বুকুৰ বাঁহীত
ফুলি উঠিছে গোপনে
গৰখীয়া শ্যাম


বাজি উঠিছে তাৰ
নীলাময় বৃন্দাবনী বাঁহী

তিতি বুৰি সকলোটি
সপোনতে যেন ধৰিছে ম'ৰাছালি

সুৰ হৈ বাজিছে
যমুনাৰ নীলা জলৰ কলকলনি

আন্ধাৰ দাপোণে আঁকিছে
গৰখীয়া বনৰীয়া কৃষ্ণময় ছবি

আৰু মই মোক আঁকিছোঁ
জ্বলি থকা এগছি চাকিৰ
বিষাদ এছাটি কৰি
নামৰ সুৰত তিতি
কঁপি কঁপি নাচিছোঁ





# শূন্যৰ পদ্য

**অৰূপ কুমাৰ দাস**

প্ৰাক্তন ছাত্ৰ

ঠিক শূন্যৰ পৰা আৰম্ভ হৈ
শূন্যতেই শেষ হৈ যায় কথাবোৰ

ভাবি ভাবি ভাবনাৰ গধূলি
বাজি থকা শুনো ক'ৰবাত
শূন্যৰ প্ৰাৰ্থনা

শিল আৰু শেলুৰৈয়ে
পিছল কৰা পথ
এজাক মানুহ

তেওঁলোকে ইজনে আনজনৰ স'তে
বিনিময় কৰিছে শূন্যৰ দৃষ্টি

কথা পাতিছে শূন্যতাৰ
হাঁহিছে শূন্যতাত

কাৰো চকুত শোক নাই
কাৰো বুকুত বিষ নাই


ছো মাৰি চৰাই এটা
নামি অহা দেখিলো
শূন্যৰ চৰাই

গালে-মুখে ৰং বিৰং
শূন্যতা!

প্রাক্তনৰ কলম

# ধপতুৱা আখ্যান

**কল্যাণ বৰপূজাৰী**
প্ৰাক্তন অধ্যাপক, গণিত বিভাগ



স্বয়ংচালিত দ্বিচক্ৰ যানত আৰোহণ কৰি সৰুমটৰীয়াস্থিত বাসস্থান অভিমুখে আহি থাকোতে দিছপুৰৰ সমীপৱৰ্তী অন্তিম জপনাত যানখনৰ পশ্চাৎচক্ৰৰ বৰ্তুলাকাৰ বায়ুৰ আধাৰত এটি কুন্দ্ৰাক্ষৰ সৃষ্টি হৈ সমস্ত বায়ু নিষ্কাশন হোৱাৰ ফলত সেই ঠাইতে স্তব্ধ হৈ ৰ'বলৈ বাধ্য হ'লোঁ।

ভ্ৰাম্যমাণ কাল ফুচফুচযোগে যথাস্থানত আমাৰ দুৰ্দশাৰ খবৰ প্ৰেৰণ কৰা হ'ল। সিফালৰ পৰা আমাক উদ্ধাৰৰ খাটাং বতৰা পাই নিশ্চিন্ত হৈ—

ছোটাভাই সেঠাভাই পেটেলৰ দ্বাৰা প্ৰস্তুত এডাল শাখামৃগ ধুম্ৰদণ্ডত অগ্নিসংযোগ কৰি সুখটান মাৰোঁতেই ওচৰতে থকা এজনে আমাৰ ফালে পেন্দোৱাকৈ দৃষ্টি নিক্ষেপ কৰাত মাত লগালো "ককাইদেউ, বেয়া নেপাব নিজৰ বুলিবলৈ এতিয়া এই বিড়িটোহে আছেগৈ।" আমাৰ কথা শুনি তেখেতে চেধাৰ টেমা এটা উলিয়াই ক'লে— "নক'ব ককাইদেউ, আমাৰো একেই দশা, বাহিৰত নামকটা চিপাহী, ঘৰত ডাং কুটা পীৰা।"

বৃন্দাবন এৰি এতিয়া মথুৰা সজলা মানৰ আক্ৰমণত তৰ্দ্ধনি হৈ ৰোৱা অসমীয়া পৰজাক ৰক্ষা কৰাৰ অচিলা লৈ ব্ৰিটিছ চাহাব হ'লহি অসম দেশৰ একচেটিয়া ওদাইদাৰ। গৰুৰ লগত চিকৰা অহাদি বৰলাট দুৰলীয়া লাটৰ লগতে আহিল কেৰাণী, মহৰী, টেকেলা পিয়দা, বৰবান্দাজ কনিষ্টবল চিপাহী চন্তৰীকে ধৰি বাৰেকুৰি আলধৰা। সেই সকলো লগুৱা-লিকচৌৰ পৰা বানমন্ত্ৰীলৈকে অসমৰ স্বাস্থ্যসন্মত থলুৱা খাদ্যক নেওচা কেওচা দি বাৰে বঙলুৱা খাদ্য অসমত প্ৰচলন কৰিলে। আমাৰ উহুৱা জবৰা আদখৰুৱা খোৱা জিভাই তাকে হৰিষ মনেৰে গ্ৰহণ কৰিলে। আনকি দেচুৱালী ভাইসকলৰ হাতৰ চাপৰিত উফৰি অহা চেধা পালিয়েও অসমীয়াৰ ওঁঠৰ মাজত থিতাপি ল'লেহি। সেই চেধাপালিৰ পৰাই আজি আৰম্ভ হৈছে গন্দগোল।

চৰকাৰে ধোঁৱাবিহীন ধঁপাতৰ সামগ্ৰী যেনে— গুট্খা, জৰ্দা, চাধা আদিৰ প্ৰচলন বন্ধ কৰিবলৈ পাং পাতিছে। পিছে চেধা বা খৈণীৰ মহিমা নুবুজাকৈ ইয়াক বন্ধ কৰিলে হিতে বিপৰীত হ'ব। কাৰণ, আমাৰ দৰে নদাই ভদাই শ্ৰেণীৰ মানুহৰ কাৰণে অৱসৰ বিনোদনৰ একমাত্ৰ উপায় কিম্বা একান্ত নিজৰ সম্পত্তি বুলিবলৈ আছেগৈ চেধাৰ টেমাটো। ইয়াৰ পৰাও যদি আমাক বঞ্চিত কৰে, তেন্তে পীতবস্ত্ৰ পৰিধান কৰি হাতত কমণ্ডলু আৰু চিম্টা লৈ বদৰিকাশ্ৰম অভিমুখে ৰাওনা হোৱাৰ বাহিৰে গত্যন্তৰ আছেনে?

দিল্লী সংসদত বিতৰ্ক চলি আছে। বিষয় অসমৰ তেল শোধনাগাৰ। কোনোবা এজনে অসমত শোধনাগাৰ প্ৰতিষ্ঠাৰ সপক্ষে বক্তৃতা প্ৰদান কৰি থাকোতে চৰকাৰী পক্ষৰ এজন বিহাৰী সাংসদে চেধা মলি মলি হাত চাপৰি বজাই দিলে। তাকে দেখি গোটেই সংসদত হাত চাপৰি পৰিল। চৰকাৰে অসমত শোধনাগাৰ স্থাপনৰ প্ৰস্তাৱ গ্ৰহণ কৰিলে। এনেহেন চেধাপালিৰ লগত চৰকাৰৰ অৰিষড়ষ্ট।

ঘুনুক-ঘানাককৈ শুনা মতে চৰকাৰে ধোঁৱাবিহীন ধঁপাতৰ পিছত পৰ্যায়ক্ৰমে ধোঁৱাযুক্ত ধঁপাতৰ সামগ্ৰী যেনে— বিড়ি, চুৰট আদি বন্ধ কৰাৰ পাং পাতিছে। চুৰটৰ বা চেলেঙৰ কথা নেজানো। কিন্তু বিড়িৰ কাৰ্যনা বন্ধ কৰিলে কোদোৰ বাঁহত জুই লাগিব। কাৰণ বিড়িৰ লগত জড়িত হৈ আছে এক বৃহৎসংখ্যক স্থানীয় শ্ৰমিক, কৰ্মচাৰী। থলুৱা বিড়ি বন্ধ কৰিলে ৰাজ্যৰ বাহিৰৰ বিড়িয়ে বজাৰ দখল কৰিব। আনকি থলুৱা বিড়ি উদ্যোগে যি ধনৰাশি অসমতে ৰখাৰ ব্যৱস্থা কৰিছে (উৎপাদন আৰু বিপৰ্যয়ৰ যোগে) সেই ধন অসমৰ বাহিৰলৈ ওলাই নেযাবনে?

ইয়াৰ উপৰি শিঙৰী ঘৰত উঠিবলৈ হামৰাও কাঢ়ি থকা এচামৰ বাবে ধুম্ৰপায়ীসকল হৈছে যজমান। এনেহেন যজমানক অসন্তুষ্ট কৰিলে পোৰে পোৰে তল যোৱাটো খাটাং। আমাৰ যিদৰে বোৱাৰী আৰু শাহুৰ মাজত এটা অম্লমধুৰ সম্পৰ্ক আছে কবিৰ ভাষাত—

বোৱাৰী আৰু শাহু, আটা আৰু ঘেঁহু
শালি আৰু আহু, গাখীৰ আৰু ঘেঁহু
মাছ আৰু শিহু
বিড়ি আৰু বিহু।

যেতিয়া ল'ৰাই মেখেলা-চাদৰ পিন্ধি বিহু নাচিছিল, তেতিয়া ভাগৰ পলুৱাবৰ কাৰণে বিড়ি হোপা পৰিলক্ষিত হৈছিল। গৰু বিহুৰ দিনা গধূলি পৰত গোহালি ঘৰত ধোঁৱাৰ জাগ দি গৰুক নতুন পঘা দিয়াৰ নিয়ম আছিল। এতিয়া পঘাও নাই গৰুও নাই। গতিকে ল'ৰাহঁতৰ মুখত জ্বলন্ত বিড়ি একোটা গুজি লগুণকেইডাল সলাই দিওঁ। অন্ততঃ

পৰম্পৰাটো বাচি থাকক।

ধোঁৱাবিহীন আৰু ধোঁৱাযুক্ত ধঁপাতৰ প্ৰচলন অসমত অতীতৰে পৰা আছিল। ৰাইজে ধঁপাতৰ খেতি ঘৰতে কৰিছিল। পূৰ্ঠ ধঁপাতৰ লগত লালীগুড় মিহলাই বাঁহৰ চুঙাত থৈ প্ৰস্তুত কৰিছিল মলমলীয়া গোন্ধেৰে মলাধঁপাত। চুঙা ধঁপাতৰ লগত সেলেঙি বোৱাই তামোলৰ সোৱাদ যি পাইছে সিহে বুজে ধঁপাতৰ মহিমা। সেইহেন চুঙা ধঁপাতক অনাদৰ কৰি আজিৰ প্ৰজন্মই আদৰি লৈছে বিহাৰ, উত্তৰ প্ৰদেশৰ পৰা অহা গন্ধযুক্ত ধঁপাত। আকৌ মলাধঁপাত চিলিমত ভৰাই, নাৰিকলৰ কোৰোকাৰে তৈয়াৰ কৰা হোকাত ধোঁৱা খোৱাৰ আনন্দ লৈছিল। ইয়াৰ উপৰিও চুৰট, চেলেং, খেচেৰং আদিৰেও ৰে'লগাড়ীৰ ভাপকলৰ দৰে ধোঁৱা উলিয়াই অসমৰ আকাশ-বতাহ ধঁপাতৰ ধোঁৱাৰে সোলোকধাম। চাহাব অহাৰ আগলৈকে অসমৰ মানুহে এইদৰেই ধঁপাত খাইছিল। মানুহৰ স্বাস্থ্যও আছিল ভাল।

চাহাব অহাৰ পাছত অসমলৈ আহিল জৰ্দাপান, খিলিপান, বান্দৰ চাপ চাদা, বৰ্মা চুৰট, মাৰ্ক প'ল, মেলধৰ আদি চেলেউ। অৱশ্যে বিলাতী চেলেউ চুৰট আছিল আটন্তিয়াৰ আঢ্যৱন্ত মানুহৰ কাৰণে। সাধাৰণ পৰজাৰ কাৰণে আছিল খেচেৰং বা ঘৰুৱা চুৰট বা বিড়ি। সুযোগ বুজি গুজৰাটী ব্যৱসায়ীদ্বয় ছোটাভাই সেঠাভাই পেটেলে আৰম্ভ কৰিছিল বান্দৰ বিড়ি। আমাৰ অসমতো কুমুদ বন্ধু সাহাই আৰম্ভ কৰিলে মাদাৰ ইণ্ডিয়া বিড়ি। নামনি অসমত গঢ়ি উঠিল বিড়ি উদ্যোগ। প্ৰস্তুত হৈ উঠিল পাহাৰী মলয় বিড়ি, পালোৱান বিড়ি, নাছিৰুদ্দিন বিড়ি, ২নং মঞ্চ বিড়ি, জবা বিড়ি ইত্যাদি। আনকি বিড়ি উদ্যোগক লৈ গৱেষণা পত্ৰও স্থান পালে ৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনা চক্ৰত।

শেহত আমাৰ পৰামৰ্শ এয়ে যে ৰাইজক ধঁপাতৰ খেতিৰ বাবে উৎসাহিত কৰক। কুঁহিয়াৰ য'ত হয় ধঁপাতো তাতে হয়। তামোলৰ লগত খোৱা চুঙা ধঁপাতক উদ্যোগ হিচাপে গ্ৰহণ কৰিলে জৰ্দাপান, খিলিপানে আপোনা-আপুনি বিদায় ল'ব। থলুৱা ধঁপাতৰ ওপৰত কৰ আৰোপ কৰিলে চৰকাৰী চন্দুকলৈও ধন আহিব।

যিসকল থলুৱা ব্যৱসায়ীয়ে তামোল-পাণৰ দোকান দি ব্যৱসায় কৰি আছে, তেখেতসকলক বিনম্ৰভাৱে অনুৰোধ কৰো যে তেখেতসকলে তামোলৰ লগত চুঙাধঁপাতো পৰিৱেশন কৰক। আপোনালোকৰ জ্ঞাতাৰ্থে জনাওঁ যে নগাঁও জিলাৰ ফুলগুৰি অঞ্চলত প্ৰতি শনিবাৰে বহা সাপ্তাহিক বজাৰত চুঙা ধঁপাত পোৱা যায়।

সামৰণিত আমাৰ মূৰত খেলা কৰা এটা প্ৰশ্নৰ বিষয়ে লিপিবদ্ধ কৰিব বিচাৰিছোঁ। ধঁপাতৰ বিৰুদ্ধে চৰকাৰী বা বেচৰকাৰী পৰ্যায়ত যিমান হুলস্থূল কৰা হৈছে, নিতৌ ভক্ষণ কৰা খাদ্যৰূপী বৰবিহৰ বিৰুদ্ধে সিমান কৰা হৈছেনে? গৱেষণাগাৰত প্ৰস্তুত কৰা খাদ্যৰ বিধান, তাকে প্ৰচুৰ উৎপাদনৰ কাৰণে ৰাসায়নিক সাৰ, কীটনাশক আদিয়ে যিমান ক্ষতি কৰিছে তাৰ তুলনাত চেধা এপালি বা বিড়ি এহোপাই কৰা অপকাৰ বেছি নে কম? বেঙেনা চোৰক ঔকিল দিয়াৰ আগতে হাতীচোৰকহে ধৰিবৰ হ'ল।

## প্ৰাক্তনৰ কলম

বৰ্তমান সময়ত ফেচবুক আটাইতকৈ সবল আৰু জনপ্ৰিয় গণমাধ্যম হিচাপে পৰিগণিত হৈছে। ৰান্ধনীৰ আখলৰ পৰা দেশ-বিদেশলৈ সমস্ত বাৰ্তা বহন কৰাত ফেচবুকে এক গুৰুত্বপৰ্ণ ভূমিকা গ্ৰহণ কৰিছে।

দেশ-বিদেশৰ বিভিন্ন স্তৰৰ ব্যক্তিৰ স'তে বন্ধুত্ব গঢ়াৰ ক্ষেত্ৰত ফেচবুকে আজিৰ যুৱ-প্ৰজন্মৰ মাজত এক সক্ৰিয় ভূমিকা গ্ৰহণ কৰি আহিছে। তাহানিতে সংযোগ হেৰাই যোৱা বিভিন্ন বন্ধু-বান্ধৱক পুনৰ বন্ধুৰূপে ওভতাই পোৱাৰ ক্ষেত্ৰত ফেচবুকৰ দৰে ইলেকট্ৰনিক গণমাধ্যমে বিশেষ ভূমিকা গ্ৰহণ কৰিছে। মানুহৰ কাষলৈ মানুহক চপাই আনি এক সুহৃদয়তা, আত্মীয়তা গঢ় দিয়াৰ ক্ষেত্ৰত ফেচবুকে যথেষ্ট সহায় কৰি আহিছে।

# গণমাধ্যম হিচাপে ফেচবুক

## এটি চমু আলোকপাত

**পদুম কলিতা**
প্ৰাক্তন ছাত্ৰ






**ফেচবুক যদিও এক শক্তিশালী গণমাধ্যম তথাপিও ইয়াৰ অপপ্ৰয়োগৰ** ফলত আজিৰ যুৱ-প্ৰজন্ম ধ্বংসৰ দিশলৈ গতি কৰিছে, আনহাতে ইয়াৰ সুব্যৱহাৰে বিভিন্নজনক **বিভিন্ন সময়ত উপকৃত কৰাও দেখা গৈছে।**

বৰ্তমান প্ৰজন্মই সাহিত্য সৃষ্টিৰ ক্ষেত্ৰত আত্মপ্ৰকাশ কৰিবলৈ ফেচবুকক এক প্ৰধান মাধ্যমৰূপে ব্যৱহাৰ কৰা দৃষ্টিগোচৰ হৈছে। বাতৰি কাকত, আলোচনী আদিত প্ৰকাশ কৰিবলৈ অসমৰ্থ হোৱা (প্ৰকাশযোগ্য নোহোৱা) বিভিন্ন লেখনি অতি সহজতে ফেচবুকত আপডেট কৰি আত্মপ্ৰকাশ কৰাৰ প্ৰৱণতাই এই সময়ত ক্ষিপ্ৰতাৰে গা-কৰি উঠিছে। তাৰ মাজতে নতুন বহুতো লেখকৰ সৃষ্টি হৈছে। আৰু এই লোকসকলে ভৱিষ্যতে সাহিত্যৰ ক্ষেত্ৰখন চহকী কৰিব বুলি আশা কৰিব পাৰি। চিন্তনীয় বিষয় এয়াই যে তাৰ মাজতে পাবতগজা কিছুমান লেখকে সাহিত্যৰ পথাৰখনত কিছুমান অসাহিত্যৰ বীজ সিঁচি এচামক সেয়াই সাহিত্য বুলি পতিয়ন নিয়াবলৈ অপপ্ৰয়াস কৰাও দেখা যায়। ইয়াৰ পৰিপ্ৰেক্ষিতত অসমীয়া সাহিত্য যথেষ্ট পৰিমাণে ক্ষতি হোৱাৰো থল আছে। তদুপৰি এনে ইলেকট্ৰনিক মাধ্যমৰ পাৰ্শ্বক্ৰিয়া বাতৰিকাকত, আলোচনী আদিতো যথেষ্ট ৰূপত পৰাটো দেখা গৈছে। যাৰ বাবে আজিৰ নতুন প্ৰজন্মৰ কিতাপ, বাতৰি কাকত আদিৰ অধ্যয়নৰ ক্ষেত্ৰত চৰম অনীহা দেখা গৈছে। এয়া আমাৰ বাবে মুঠেও শুভ বাৰ্তা নহয়।

আজিকালি ফেচবুকত সঘনাই দেখা পোৱা যায় বিভিন্ন বিতৰ্কিত পোষ্ট। কিছমানে নিজৰ অস্তিত্ব জাহিৰ কৰিবলৈ এনে পন্থা গ্ৰহণ কৰাটো দেখা যায়। আন কিছুমানে হৃদয়ত পঞ্জীভূত হৈ থকা বিভিন্ন ক্ষোভ আদিৰ বহিঃপ্ৰকাশ স্বৰূপে ফেচবুককেই প্ৰধান আহিলাৰূপে গ্ৰহণ কৰি আহিছে। বিভিন্ন বিতৰ্কিত মন্তব্যই মন্তব্যকাৰীৰ লগতে সমাজখনৰো ক্ষতিসাধন কৰা দেখা গৈছে। বিভিন্ন জাতিধ্বংসী সাম্প্ৰদায়িক মন্তব্যই আমাৰ শংকৰ-আজানৰ দেশৰ জনগণৰ মাজত ভাতৃত্ববোধৰ অন্তৰায় হৈ দেখা দিছে। কাজিয়া-বিতৰ্কই এনে পৰ্যায় পাইছেগৈ যে সেয়া পুলিচ তথা কৰ্ট-কাছাৰী আদালতৰ মজিয়া পৰ্যন্ত ধাৱিত হোৱা পৰিলক্ষিত হৈছে।



এচামে ফেচবুকক সহজ আহিলাৰূপে গ্ৰহণ কৰি বিভিন্ন ভুৱা একাউণ্টেৰে ইলেকট্ৰনিক মাধ্যমৰ এই সমাজ ব্যৱস্থাত ৰঘুমলাৰ দৰে শিপাইছে। যাৰ বাবে এচামৰ বাবে ফেচবুক এক অনীহাৰ বিষয় হৈ পৰিছে। ভুৱা একাউণ্টেৰে বিভিন্ন জাল তৰি বহুতে সহজ-সৰল মানুহক চিকাৰ কৰা দেখা গৈছে। সন্মানীয় নাৰী সমাজ বহুক্ষেত্ৰত এনে ভুৱা একাউণ্টৰ দ্বাৰা অপদস্থ হোৱা দেখা গৈছে। বিশেষকৈ বিকৃত মানসিকতাৰ বিভিন্ন লোকে তেনে ভুৱা একাউণ্ট খুলি বিতৰ্কিত মন্তব্য কৰিবলৈ বা ব্যক্তিগত আক্ৰমণ কৰিবলৈও কুণ্ঠাবোধ নকৰা হৈছে। যাৰ বাবে সুধী সমাজ সামাজিক ক্ষেত্ৰত অপমানিত হোৱা দেখা গৈছে।

আজিকালি প্ৰায়েই দেখা যায় যে মূৰৰ বিষ, চৰ্দি-কাঁহ আদি কৰি নিজৰ ব্যক্তিগত সমস্যাসমূহো এচামে ফেচবুকৰ মজিয়ালৈ ঠেলি দিয়ে। তাৰ ভিতৰত কিছুমান অসৎ, সুবিধাবাদী, মুখাধাৰী গণ্যমান্য ব্যক্তিয়ে ভুৱা শাৰীৰিক অসুস্থতা দেখুৱায়ো ৰাইজৰ পৰা ধন সংগ্ৰহ কৰ্মত লিপ্ত হোৱাও দেখা যায়। গতিকে বৰ্তমান সমাজত ফেচবুক এক জনপ্ৰিয় গণমাধ্যম যদিও মুনাফা লুটাৰ মাধ্যম হৈয়ো থিয় দি উঠিছে।

আটাইতকৈ চিন্তনীয় বিষয় হ'ল ফেচবুক যদিও ব্যক্তিগত প্ৰফাইল থকা এটি গণমাধ্যম তথাপিও বিভিন্ন ক্ষেত্ৰত আনৰ একান্ত ব্যক্তিগত কথাবোৰ ফেচবুকৰ মজিয়াত প্ৰকাশ কৰি এচামে নিজৰ বিকৃত মানসিকতাৰ পৰিচয় দি আহিছে। তাৰ ভিতৰত ব্যক্তিগত আলাপ, মতবিনিময় আদিও ফেচবুকৰ মজিয়া পাইছেগৈ। বিভিন্ন সময়ত কিছু মুখাপিন্ধা ভদ্ৰলোকৰ মুখা খোল খাই জনমানসত বিৰূপ প্ৰতিক্ৰিয়া সৃষ্টি হৈছে।

সদৌ শেষত কওঁ যে ফেচবুক যদিও এক শক্তিশালী গণমাধ্যম তথাপিও ইয়াৰ অপপ্ৰয়োগৰ ফলত আজিৰ যুৱ-প্ৰজন্ম ধ্বংসৰ দিশলৈ গতি কৰিছে, আনহাতে ইয়াৰ সুব্যৱহাৰে বিভিন্নজনক বিভিন্ন সময়ত উপকৃত কৰাও দেখা গৈছে।



বিশিষ্ট সাহিত্যিক, সাংবাদিক হোমেন বৰগোহাঞিৰ বৰ্ণিল জীৱন পৰিক্ৰমা, বিভিন্ন অভিজ্ঞতা, ভিন্ন দিশৰ পৰামৰ্শৰে সংগঠিত এই নাতিদীৰ্ঘ সাক্ষাৎকাৰ। আশা কৰোঁ— বৰগোহাঞিদেৱৰ উত্তৰসমূহে দুধনৈ মহাবিদ্যালয়ৰ লগতে অসমৰ শিক্ষাৰ্থী সমাজক সময় আৰু জীৱনবোধ সম্পৰ্কে চিন্তাৰ খোৰাক দিব। সাহিত্য আৰু আলোচনী বিভাগৰ হৈ সাক্ষাৎকাৰটি গ্ৰহণ কৰিছে তত্ত্বাৱধায়ক

বন্দিতা বৰবৰাই—

# আমি যিমান পৰিশ্ৰম কৰিব লাগে, তাৰ এশ ভাগৰ এভাগো বোধহয় নকৰোঁ

## হোমেন বৰগোহাঞিৰ সৈতে কথোপকথন

❖ ছাৰ, প্ৰথমে আপোনাৰ শৈশৱৰ এটি প্ৰসংগৰ আঁত ধৰি সুধিব বিচাৰিছোঁ। শৈশৱতে আপোনাক আপোনাৰ ভৱিষ্যতৰ সপোন দেখুওৱাত আপোনাৰ পিতৃৰ যথেষ্ট ভূমিকা আছে (আপোনাৰ বিভিন্ন লেখাত এই কথা স্পষ্ট)। ধৰক, আপোনালোকৰ ঢকুৱাখনাৰ ঘৰখনত সেই সময়তেই এটা পুথিভঁৰাল আছিল, যিয়ে আপোনাক গ্ৰন্থ অধ্যয়নৰ প্ৰতি আগ্ৰহী কৰি তুলিছিল। আপুনি ভাবেনে যে আজিৰ যন্ত্ৰবৎ পৃথিৱীখনত ঢকুৱাখনাৰ দৰে অসমৰ গ্ৰামাঞ্চলৰ কোনো এখন ঘৰত এতিয়াও তেনে পৰিৱেশ আছে?

■ তোমাৰ প্ৰশ্নটো শুনি বহু কথাই মোৰ মনলৈ আহিছে। বিভিন্ন কামত মই অসমৰ বিভিন্ন অঞ্চল ঘূৰি ফুৰোঁতে বহু লোকে মোক লগ কৰিবলৈ আহে আৰু তাৰে বহুতেই প্ৰায়ে এটা কথা কয় যে



তেওঁলোকৰ ঘৰত মই লিখা গোটেইখিনি কিতাপ আছে। তেতিয়া মই সোধো যে কেৱল মোৰ কিতাপেই আছে নে আন কিতাপো আছে? তেওঁলোকে কয় যে আন আন কিতাপৰ লগতে মোৰ আটাইখিনি কিতাপ আছে। অসমৰ বিভিন্ন ঠাইত মই সেই কথাটো শুনিছো। হয়তো মই লিখা সকলোখিনি কিতাপ থকা বুলি মোৰ সন্মুখত ক'ব পাৰে, কিন্তু সেইসকল লোকৰ ঘৰত যে সৰু-সুৰাকৈ এটা পুথিভঁৰাল আছে, তাৰ প্ৰমাণ মই পাইছো। দ্বিতীয়তে, গুৱাহাটীকে ধৰি অসমৰ বিভিন্ন ঠাইত যেতিয়া গ্ৰন্থমেলা হয়, সেই গ্ৰন্থমেলাসমূহত কিতাপ কিনিবলৈ গাঁৱৰ মানুহেই বেছিকৈ আহে। বৰপেটাৰ এজন শিক্ষক গুৱাহাটীলৈ আহিলে প্ৰায়ে মোৰ ওচৰলৈ আহে। তেওঁ খুব বেছি দৰমহা নাপায় যদিও প্ৰতি মাহে দৰমহাৰ কিছু পইচা সঞ্চয় কৰি গুৱাহাটীৰ গ্ৰন্থমেলাত কিতাপ কিনিবলৈ আহে। গতিকে প্ৰতিবছৰে তেওঁ ছয়-সাত হাজাৰ টকাৰ কিতাপ কিনিলে, দহ বছৰো যদি কিনিছে, তেওঁৰ কিতাপ যথেষ্ট হ'ব। আৰু তেওঁৰ পৰাই জানিব পাৰিছো যে ভিতৰুৱা অঞ্চলৰ বহু মানুহে গুৱাহাটীৰ গ্ৰন্থমেলাত কিতাপ কিনিবলৈ আহে আৰু তাৰ কাৰণে তেওঁলোকে বহুত দিনৰ পৰা সঞ্চয় কৰে। বৰ্তমান অসমীয়া কিতাপৰ বজাৰখন ঘাইকৈ গাঁও অঞ্চলৰ মানুহেই ধৰি ৰাখিছে। চহৰৰ মানুহে মেলা চাবলৈ আহে, কিন্তু গাঁও অঞ্চলৰ মানুহে টকা-পইচা সঞ্চয় কৰি কিতাপ কিনিবলৈ আহে। তদুপৰি, চহৰৰ প্ৰায়বিলাক ল'ৰা-ছোৱালীয়েই ইংৰাজী মাধ্যমত পঢ়ে। কিন্তু গাঁও অঞ্চলত এতিয়াও বেছিভাগ ল'ৰা-ছোৱালীয়েই অসমীয়া মাধ্যমত পঢ়ে আৰু সেইসকলৰ মাজৰ বহু ল'ৰা-ছোৱালীৰ কিতাপ-পত্ৰৰ প্ৰতি আগ্ৰহ আছে। গতিকে এইটো ক'ব পাৰি যে এতিয়াও অসমৰ গ্ৰামাঞ্চলত আমি আশা কৰা মতে নহ'লেও যথেষ্ট পুথিভঁৰাল আছে। সেই পুথিভঁৰালসমূহে আৰু পুথি ভালপোৱা মানুহসকলেই গ্ৰন্থমেলাবোৰ জীয়াই ৰখাৰ লগতে অসমীয়া সাহিত্য-সংস্কৃতিও জীয়াই ৰাখিছে বুলি মই ভাবো।

❖ ছাৰ, ছাত্ৰ জীৱনৰ বিশেষকৈ উচ্চ মাধ্যমিক আৰু মহাবিদ্যালয়ত পঢ়ি থকা কালত আপুনি এজন 'চোকা' ছাত্ৰ আছিল। কিন্তু তেতিয়াও আপুনি কেৱল পাঠ্যক্ৰমৰ মাজতে আৱদ্ধ নাথাকি দেশী-বিদেশী বিভিন্ন গ্ৰন্থৰ মাজত সোমাই পৰিছিল আৰু এজন ব্যতিক্ৰমী তথা পৃথক ছাত্ৰ হৈ পৰিছিল। আজিৰ ছাত্ৰ সমাজ অতি বেছি পৰীক্ষাকেন্দ্ৰিক হৈছে নেকি? আপোনাৰ সেই সময়ৰ অভিজ্ঞতাৰে আজিৰ প্ৰেক্ষাপটত কি মন্তব্য দিব?

■ হয়। মই যে সৰুতে চোকা ছাত্ৰই আছিলো, সেই কথা মিছা নহয়। শ্ৰেণীত সদায় প্ৰথম বা দ্বিতীয় হৈছিলো আৰু কিবাকিবি কৰি পুৰস্কাৰো পাইছিলো। কিন্তু, বৰ্তমান যুগৰ যি পৰীক্ষা পদ্ধতি, তাত গভীৰভাৱে চিন্তা কৰাৰ কোনো অৱকাশ নাই। এতিয়াৰ পৰীক্ষাসমূহত বেছিকৈ 'হয়' বা 'নহয়' এনে উত্তৰ দিলেই হৈ যায়। তাৰ জৰিয়তে এজন ছাত্ৰৰ মুখস্থ বিদ্যাৰ

**মই ব্যক্তিগতভাৱে এইটো জানো বা ক'ব খোজো যে শিক্ষাৰ সংস্কাৰৰ নামত এটা বিশাল প্ৰহসন কৰা হৈছে।**



*সাক্ষাৎগ্ৰহণৰ সময়ত*

প্ৰমাণ হ'ব, কিন্তু চিন্তা-শক্তিৰ কোনো প্ৰমাণ নহয়। মই ভাবো যে আজিৰ গোটেই শিক্ষা ব্যৱস্থাটোৱেই পৰীক্ষাকেন্দ্ৰিক হৈ পৰিছে। তদুপৰি, শিক্ষাৰ নামত এনেকুৱা কিছুমান সংস্কাৰ কৰা হৈছে, যিবোৰে গোটেই দেশখনতে এখন অশিক্ষিত সমাজৰ সৃষ্টি কৰিছে। সৌ সিদিনালৈকে (এতিয়াও আছে বোধহয়) ছাত্ৰ-ছাত্ৰীয়ে স্কুলত পৰীক্ষাত ফেইল নকৰাকৈ অষ্টম শ্ৰেণীলৈকে প্ৰমোচন পাই পাই গৈ থাকে। মোৰ ঘৰত দুবছৰমান এজন ল'ৰা আছিল। সি প্ৰথম আহি মোক কৈছিল যে সি অষ্টম শ্ৰেণীলৈকে পঢ়িছে। কিন্তু পিছত জনা গ'ল যে সি 'ক'ৰ চুকটোও নাজানে। মানে মই তাক অমুক কিতাপখন আনচোন বুলি ক'লে মুখলৈ চাই থাকে, কিতাপখনৰ নামটো সি পঢ়িব নোৱাৰে। পিছত গম পালো যে একো নজনাকৈয়ে সি অষ্টম শ্ৰেণীলৈকে প্ৰমোচন পাইছিল। এনেকুৱা বহু কথাৰ পৰা ক'ব পাৰি যে এই পৰীক্ষা আৰু শিক্ষাৰ সংস্কাৰবোৰে গোটেই দেশতে এখন বিশাল অশিক্ষিত সমাজৰ সৃষ্টি কৰিছে। আৰু এটা কথা, মোৰ ডাঙৰ ল'ৰাৰ জীয়েক অৰ্থাৎ ডাঙৰ নাতিনীয়ে (তাই ৰাজস্থানত থাকে) মোক এবাৰ কৈছিল যে আমি তৃতীয় শ্ৰেণীত যিসকল ব্যক্তিৰ কিতাপ পঢ়িছিলোঁ, সেইসকল ব্যক্তিৰ পাঠ্যপুথি তাই দশম শ্ৰেণীত পঢ়িছিল। আনকি তাই প্ৰমাণো দিলে কিতাপ-পত্ৰবোৰ আনি। হয়, এতিয়া ছাত্ৰ-ছাত্ৰীয়ে দশম শ্ৰেণীত যিবিলাক পাঠ্যপুথি পঢ়ে, আমি সেইবিলাক তৃতীয়, চতুৰ্থ শ্ৰেণীত থাকোতেই পঢ়িছিলোঁ। গতিকে মই ব্যক্তিগতভাৱে এইটো জানো বা ক'ব খোজো যে শিক্ষাৰ সংস্কাৰৰ নামত এটা বিশাল প্ৰহসন কৰা হৈছে। তদুপৰি, আজিকালি চিনেমা, টিভি, ইণ্টাৰনেট, ম'বাইল ফোন, স্মাৰ্টফোন আদি অজস্ৰ বস্তুৱে ছাত্ৰৰ মনোযোগ বিক্ষিপ্ত কৰি ৰাখে। আমাৰ যুগত এনেদৰে মনোযোগ বিপথগামী কৰিবলৈ কোনো উপায় নাছিল। এনে যি কাৰণেই নহওক কিয়, এতিয়াতকৈ আমাৰ দিনত মানুহবোৰ বেছি শিক্ষিত আছিল আৰু পঢ়া-শুনাৰ প্ৰতি গভীৰ অনুৰাগ আছিল। কিন্তু ইয়াৰ মাজতেই বৰ্তমানেও কিছুমান ল'ৰা-ছোৱালীয়ে নিজৰ চেষ্টাৰে পঢ়া-শুনা কৰে আৰু সেইখিনি ল'ৰা-ছোৱালীয়েই বোধহয় সমাজখন কিবা প্ৰকাৰে ধৰি ৰাখিছে।

❖ ছাৰ, কটন কলেজত পঢ়ি থকা সময়ত আপুনি কৰা কামসমূহৰ ভিতৰত কোনটো কাম আপোনাৰ নিজৰ দৃষ্টিত শ্ৰেষ্ঠ বুলি ভাবে?

■ কটন কলেজত পঢ়ি থকা সময়ত মই ঘাইকৈ তিনিটা কামেই কৰিছিলো বুলি ক'ব পাৰি। এটা হ'ল নিজৰ পাঠ্যক্ৰম পঢ়িছিলো। দ্বিতীয়তে, কটন কলেজৰ বিশাল লাইব্ৰেৰীটোৰ যিমান পাৰো সদ্ব্যৱহাৰ কৰিবলৈ চেষ্টা কৰিছিলো। তৃতীয়টো হ'ল, মোৰ সাহিত্য সাধনা। যদিও মই খুব সৰুৰেপৰাই লেখা-মেলা কৰিবলৈ লৈছিলো, মোৰ তেৰ বছৰ বয়সতেই জীৱনৰ প্ৰথম কবিতাটো মাধৱ বেজবৰুৱা সম্পাদিত 'বাঁহী'ত প্ৰকাশ হৈছিল আৰু ষষ্ঠ, সপ্তম শ্ৰেণীত থাকোতে ৰাণী গাইডালু, সুভাষ চন্দ্ৰ, কুশল কোঁৱৰ আদি চাৰি-পাঁচটা কবিতা প্ৰকাশ পাইছিল। কটন কলেজত পঢ়িবলৈ গৈ প্ৰথম বাৰ্ষিকত থাকোতেই কলেজৰ বছৰেকীয়া সুকুমাৰ প্ৰতিযোগিতাত এটা গল্প দিছিলো। গল্পটোৰ নাম আছিল 'আবেলিৰ আলিবাটৰ গল্প'। গল্পটোৱে প্ৰতিযোগিতাত প্ৰথম, দ্বিতীয়, তৃতীয় কোনো পুৰস্কাৰ নাপালে। পিছত গম পাইছিলো যে সেইটোৱে পঞ্চম পুৰস্কাৰ পাইছিল। কিন্তু পিছত তেতিয়াৰ


বিখ্যাত সমালোচক ভবানন্দ দত্তই কেনেবাকৈ গল্পটো পঢ়িবলৈ পালে আৰু গল্পটো খুব উচ্চমানৰ আছিল বুলি তেখেতে প্ৰশংসা কৰিলে। তদুপৰি, প্ৰফেছাৰ উপেন্দ্ৰনাথ শৰ্মাকে আদি কৰি বহুতে সেই গল্পটোতেই অসমীয়া গল্পৰ আধুনিকতাৰ সূচনা হৈছিল বুলিও ক'ব খোজে। মই তৃতীয় বাৰ্ষিকলৈ প্ৰমোচন পাওঁতে একেবছৰতে গল্প, কবিতা, প্ৰবন্ধ এই তিনিওটাতে প্ৰথম পুৰস্কাৰ লাভ কৰিছিলো। সেই সময়ত সেইটো এটা ৰেকৰ্ডেই হৈছিল। ইয়াৰ পূৰ্বতে দ্বিতীয় বাৰ্ষিকত থাকোতে বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য সম্পাদিত 'ৰামধেনু'ত মোৰ কবিতা প্ৰকাশ হয় আৰু দ্বিতীয়, তৃতীয়, চতুৰ্থ বাৰ্ষিকৰ এই তিনিটা বছৰত ৰামধেনুত মোৰ এনেকুৱা কিছুমান গল্প, কবিতা আৰু প্ৰবন্ধ প্ৰকাশ হৈছিল যে সেই সময়তেই মই অসমীয়া পাঠক সমাজৰ মনোযোগ আকৰ্ষণ কৰিবলৈ সক্ষম হৈছিলো। গতিকে, ৰামধেনুত যে মই আত্মপ্ৰকাশ কৰিলো আৰু ৰামধেনুত যি সাহিত্যৰ সাধনা কৰিলো, সেইটোকেই মই কটন কলেজত কৰা মোৰ আটাইতকৈ শ্ৰেষ্ঠ কাম বুলি ভাবো।

❖ ছাত্ৰ জীৱনত অজানিতে কৰা কোনো কামৰ বাবে কেতিয়াবা অনুশোচনা হয় নেকি?

■ অজানিতে নহয়, জানি শুনিয়েই মই ছাত্ৰ জীৱনত যি বেয়া কাম কৰিছিলো, সেই কথা মই খোলাখুলিকৈ মোৰ আত্মজীৱনীত লিখিছো। কেনেকৈ সেইটো আৰম্ভ হ'ল নাজানো, আমি কেইজনমান ছাত্ৰই জুৱা খেলিবলৈ ল'লো। আমাক ইমান বেছি জুৱাৰ নিচাই ধৰিলে যে দুবছৰ সময় আমি ৰাতিৰ পিছত ৰাতি কেৱল জুৱাই খেলিলো। আচৰিত কথা, আমাৰ হোষ্টেলৰ আৰু ওচৰৰ দুটামান হোষ্টেলৰ যিসকল আটাইতকৈ প্ৰতিভাবান ছাত্ৰ আছিল আৰু যিসকলে পিছলৈ বিভিন্ন কাৰ্যক্ষেত্ৰত অতি সুখ্যাতি অৰ্জন কৰিলে, আমি আটাইকেইজনেই জুৱা খেলিছিলো। মই জুৱা খেলাতো সমৰ্থন কৰা নাই। কিন্তু, এইটো ক'ব খুজিছো যে মই যদি দুবছৰ জুৱা নেখেলিলোহেঁতেন, তেতিয়াহ'লে পৰীক্ষাত মই আৰু বহুত ভাল ফলাফল দেখুৱাব পাৰিলোহেঁতেন বা বহু কিতাপ-পত্ৰ পঢ়িব পাৰিলোহেঁতেন। গতিকে মই জুৱা খেলৰ প্ৰতি আকৃষ্ট হোৱাটো মোৰ কলেজীয়া জীৱনৰ আটাইতকৈ অক্ষমণীয় অপৰাধ।

❖ ছাৰ, আপোনাৰ বিভিন্ন লেখাত পোৱা যায় যে শৈশৱ আৰু কৈশোৰ কালত আপুনি শয়নে-সপোনে 'কবি' হোৱাৰ কথা চিন্তা কৰিছিল আৰু সাত বছৰ বয়সতেই প্ৰথম কবিতা লিখিছিল। আনকি, 'ৰামধেনু'ত প্ৰকাশ পোৱা আপোনাৰ লেখাসমূহৰ বেছিভাগেই আছিল কবিতা। কিন্তু পিছত আপুনি কবিতা লিখিবলৈ একেবাৰেই বাদ দিলে। কিয়?

■ হয়, কবিতা আছিল মোৰ প্ৰথম প্ৰেম। মোৰ তেৰ বছৰ বয়সৰ পৰা কলেজত পঢ়ি থকালৈকে মই বেছিকৈ কবিতাই লিখিলো। কিন্তু পিছলৈ কবিতা লিখিবলৈ মোৰ একেবাৰেই মন নোযোৱা হ'ল। অলপ দিনৰ আগতে হৰেকৃষ্ণ ডেকাই মোৰ কবিতাৰ বিষয়ে এটা বিশাল প্ৰবন্ধ লিখিছে। তাত তেওঁ কৈছে যে হোমেন বৰগোহাঞিয়ে নিজৰ মাজত কবি প্ৰতিভা নাই বুলি অনুমান কৰি কবিতা লিখিবলৈ এৰিলে, যিটো অসমীয়া কাব্য জগতৰ বাবে এটা বিৰাট ক্ষতি। তেওঁৰ মতে, মই কবিতা লিখিবলৈ এৰাৰ কাৰণে অসমীয়া সাহিত্য কে'বাটাও আপুৰুগীয়া কবিতাৰপৰা বঞ্চিত হ'ল। মই বোধহয় খুব আৱেগপ্ৰৱণ নহয়, অলপ বেছি যুক্তিবাদী। মই হৃদয়খনতকৈ মগজুটোৰ ওপৰত



বেছি গুৰুত্ব দিওঁ, চিন্তা কৰি ভাল পাওঁ, গদ্য লিখিবলৈ ভাল পাওঁ। এটা সময়ত গদ্যৰ প্ৰতি মোৰ ইমান বেছি আকৰ্ষণ বাঢ়িল যে কেনেকৈ নতুন ধৰণৰ এটা গদ্য-ৰীতি উদ্ভাৱন কৰিব পাৰি, সেই চিন্তাই কৰিবলৈ ধৰিলো। মৌলিক গদ্য-ৰীতি উদ্ভাৱন কৰাৰ চিন্তাই মোক ইমান মোহাৰিষ্ট কৰি পেলালে যে কবিতাৰ প্ৰতি মোৰ আকৰ্ষণ সমূলি নোহোৱা হ'ল।

❖ ছাৰ, চৰকাৰী বিষয়াৰ চাকৰি এৰি সাংবাদিকতাৰ বৃত্তি কিয় গ্ৰহণ কৰিলে?

■ মই চাকৰিত যোগদান কৰাৰ প্ৰথম দিনটোৰ পৰাই চাকৰি এৰিবলৈ বহুত চেষ্টা কৰি আছিলো। কাৰণ, চৰকাৰী চাকৰিয়ে মোক খুব বিৰক্ত কৰিছিল। তাৰ প্ৰধান কাৰণ আছিল যে প্ৰথম দিনাৰ পৰাই মই চৰকাৰী শাসনযন্ত্ৰত ইমান বেছি দুৰ্নীতি দেখিবলৈ পাইছিলো যে মই কোনোপধ্যেই তাৰ লগত আপোচ কৰিব পৰা নাছিলো। যদিও মই মোৰ উচ্চপদস্থ বিষয়াৰ লগতো এই লৈ যুঁজ-বাগৰ কৰিছিলো, কিন্তু সেই দুৰ্নীতিৰ মই কোনো প্ৰতিকাৰ কৰিব নোৱাৰিলো। দিনৰ পিছত দিন সেইখিনি চাই থকাটোও মোৰ কাৰণে অসম্ভৱ হ'ল। দ্বিতীয় কাৰণটো হ'ল যে দিনটোৰ আঠ ঘণ্টা মই অফিচত বহি থাকিব লাগে, কাম হয়তো এঘণ্টাৰ। অৰ্থাৎ যিমানখিনি বিষয়া-কৰ্মচাৰী আছিল, তাৰ তুলনাত কাম যথেষ্ট কম। দিনটোৰ মই এঘণ্টা কাম কৰি বাকী সাত ঘণ্টা হামিয়াই-হিকটিয়াই অফিচত বহি থাকিব লাগে। কেতিয়াবা হয়তো তাতকৈ বেছি কামো কৰিবলগীয়া হয়। কিন্তু গড় হিচাপত দৈনিক দুই-তিনি ঘণ্টাতকৈ বেছি কাম নাছিল। এই কথাটোৱে মোক খুব বিৰক্ত কৰিছিল। এনেকৈ যদি গোটেই জীৱনটো কটাবলগীয়া হয়, মোৰ জীয়াই থকাৰ আনন্দই নোহোৱা হ'ব। সেয়েহে, মই এনেকুৱা এটা সুযোগ বিচাৰি ফুৰিছিলো যে যাৰ ফলত চৰকাৰে মোক চাকৰিৰ পৰা খেদিবলৈ বাধ্য হ'ব। সেই কাৰণে, মই চাকৰি কৰি থকা অৱস্থাত বেছিভাগ ছদ্মনামত আৰু কেতিয়াবা নিজৰ নামত চৰকাৰক কঠোৰ সমালোচনা কৰি প্ৰবন্ধ লিখিছিলো। ১৯৬৬ চনত মোৰ নিজৰ নামত 'বিভিন্ন নৰক' নামেৰে এখন কিতাপ প্ৰকাশ হ'ল, যাক 'ৰাজনৈতিক ব্যংগ সমালোচনা' বুলি কোৱা হয়। নিজৰ নামত লিখাৰ ফলত মই চৰকাৰৰ বা মন্ত্ৰীসকলৰ চকুত পৰিলো আৰু মোলৈ কাৰণ দৰ্শোৱাৰ এখন চিঠি আহিল। এনেদৰেই মই চাকৰি এৰিবৰ বাবে যিটো সুযোগ বিচাৰি আছিলো, অৱশেষত সেই সুযোগটো আহিল। কিন্তু চাকৰি এৰি মই কিবা এটাতো কৰিব লাগিব। বহুত ভাবি দেখিলো যে কলমডালৰ বাহিৰে মোৰ একো অৱলম্বন নাই। কিন্তু সাহিত্য কৰি খাব পৰা অৱস্থা তেতিয়া হোৱা নাই। গতিকে চাৰিওফালে মই খবৰ কাগজত চাকৰি বিচাৰিলো। অৱশেষত মুনীন্দ্ৰ নাৰায়ণ দত্ত বৰুৱাই মই সম্পাদক হ'লে এখন কাগজ উলিয়াবলৈ ৰাজী হ'ল। তেনেদৰেই মই 'সাপ্তাহিক নীলাচল'ৰ সম্পাদক হ'লো আৰু চাকৰি ইস্তফা দিলো।

❖ ছাৰ, আপুনি অসমৰ একমাত্ৰ সাংবাদিক যিগৰাকীয়ে দেশৰ



এগৰাকী প্ৰধানমন্ত্ৰীৰ তিনিবাৰকৈ সাক্ষাৎকাৰ গ্ৰহণ কৰিছিল। সেই সাক্ষাৎকাৰ তিনিটাৰ বিষয়ে অলপ ক'ব নেকি?

■ হয়, মই প্ৰধানমন্ত্ৰীৰ তিনিটা সাক্ষাৎকাৰ পাইছিলো আৰু কোনো অসমীয়া সাংবাদিকে প্ৰধানমন্ত্ৰীৰ আছুতীয়া সাক্ষাৎকাৰ পোৱা নাছিল। ১৯৬৯ চনত কংগ্ৰেছৰ বিভাজন হ'ল। এটা ভাগত থাকিল ইন্দিৰা গান্ধী আৰু আনটো ভাগত মোৰাৰজী দেশাইকে আদি কৰি বাকীসকল নেতা। তেতিয়া ইন্দিৰা গান্ধীৰ প্ৰধান লক্ষ্য হ'ল আটাইবোৰ প্ৰদেশত কেনেকৈ নিজৰ ফালৰ কংগ্ৰেছক প্ৰতিষ্ঠা কৰিব পাৰি। তেতিয়া মই ইতিমধ্যে 'নীলাচল' উলিয়াইছো। আৰম্ভণিতেই নীলাচলে এটা নতুন ধাৰাৰ সৃষ্টি কৰিবলৈ সক্ষম হোৱাৰ লগতে খুব কম সময়তে জনপ্ৰিয় তথা প্ৰভাৱশালী হ'বলৈও সক্ষম হ'ল। অসমৰ কংগ্ৰেছী নেতাসকলে ভাবিলে যে মোক যদি তেওঁলোকে হস্তগত কৰিব পাৰে,

তেওঁলোকৰ যুঁজখন বহুত সহজ হ'ব। তেতিয়া দেৱকান্ত বৰুৱাই মোক ক'লে যে মই প্ৰধানমন্ত্ৰীৰ সাক্ষাৎকাৰ ল'বলৈ যাব লাগে। মই তেওঁৰ প্ৰস্তাৱত ৰাজী হ'লো আৰু তেওঁলোকে ইন্দিৰা গান্ধীক কি বুজালে নাজানো, তেওঁ মোক সাক্ষাৎকাৰ দিবলৈ অতি আগ্ৰহী হ'ল। তেনেকৈ মই সাক্ষাৎকাৰ ল'বলৈ গ'লো। যিহেতু সেই সময়ত পাৰ্লিয়ামেণ্ট চলি আছিল, ইন্দিৰা গান্ধীয়ে মোক ৩০ মিনিট সময় দিছিল। কিন্তু সাক্ষাৎকাৰ লৈ থাকোতে ইন্দিৰা গান্ধীয়ে কথা কৈয়েই আছে আৰু ৩০ মিনিট পাৰ হৈ ৫০ মিনিট হৈছিল। পিছত প্ৰধানমন্ত্ৰীৰ প্ৰেছ এডভাইজাৰ সাৰদা প্ৰসাদে মোক কৈছিল, 'মিষ্টাৰ বৰগোহাঞি, আপুনি বোধহয় নাজানে যে প্ৰধানমন্ত্ৰীৰ দীৰ্ঘতম সাক্ষাৎকাৰ পোৱা সাংবাদিকজন আপুনিয়েই।' মই মনে মনে ভাবিলো যে তেখেতে হয়তো দলৰ স্বাৰ্থতেই মোক ইমান সময় দিছে।

দ্বিতীয়বাৰ ১৯৭১ চনত মই প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধীক সাক্ষাৎকাৰ লোৱাৰ সুবিধা পাইছিলো। সেই বছৰেই লোকসভাৰ মধ্যৱৰ্তী অন্তৰ্বৰ্তীকালীন নিৰ্বাচন হৈছিল। তেতিয়া বিপিন পাল দাস আছিল ৰাজ্যসভাৰ সদস্য। এইবাৰ তেওঁ আহি মোক ধৰিলে যে মই প্ৰধানমন্ত্ৰীৰ সাক্ষাৎকাৰ ল'বলৈ যাব লাগে। সেইবাৰো তেৱেঁই সকলো যোগাৰ কৰি দিলে আৰু মই ৩০-৪০ মিনিটমান সময় সাক্ষাৎকাৰ ল'লো।

তৃতীয়বাৰৰ ঘটনাটো খুব বেলেগ ধৰণৰ। সেইবাৰ ইন্দিৰা গান্ধীয়ে মোক বিচাৰি ফুৰিছিল। ১৯৮৩ চনৰ নিৰ্বাচনত হিতেশ্বৰ শইকীয়া মুখ্যমন্ত্ৰী হোৱাৰ তিনিমাহমান পিছতেই ইন্দিৰা গান্ধী অসমলৈ আহে। ইতিমধ্যে মই যে অসম আন্দোলনৰ খুব বিৰোধিতা কৰিছিলো, সমগ্ৰ দেশতে সেই খবৰ বিয়পি পৰিছিল। ইন্দিৰা গান্ধীয়ে মুখ্যমন্ত্ৰীলৈ খবৰ পঠিয়ালে যে তেখেতে অসমলৈ আহি কেইজনমান মানুহক বিশেষভাৱে লগ পাব বিচাৰে আৰু তাত প্ৰথমতেই মোৰ নামটো আছিল। ময়ো তেখেতক লগ পাবলৈ ৰাজী হ'লো। কিন্তু সেই সময়ৰ কামৰূপৰ উপায়ুক্ত শৈলেন্দ্ৰ কুমাৰ অগ্নিহোত্ৰিয়ে তেওঁৰপৰা মোক এখন অনুমতি পত্ৰ বিচাৰিবলৈ কোৱাত মই ক'লো যে মোকহে প্ৰধানন্ত্ৰীয়ে নিমন্ত্ৰণ কৰিছে। যদি উপায়ুক্তৰ পৰা অনুমতি পত্ৰ বিচাৰিব লাগে, মই নাযাওঁ। সেইদিনা আছিল ১৯৮৩ চনৰ ২৮ ফেব্ৰুৱাৰী আৰু সেইদিনা মই নগ'লো। ২৯ তাৰিখৰ ৰাতি মুখ্যমন্ত্ৰী হিতেশ্বৰ শইকীয়াই মোক জনালে যে তাৰ পিছৰ দিনা মোক প্ৰধানমন্ত্ৰীয়ে লগ পাব বিচাৰিছে। পিছদিনা মোক প্ৰধানমন্ত্ৰী থকা গেষ্ট হাউছলৈ লৈ যোৱা হ'ল। মুখ্যমন্ত্ৰীয়ে মোক ভিতৰত থৈ আহিল, কিন্তু তেওঁ উপস্থিত নাথাকিল। আনকি প্ৰধানমন্ত্ৰীৰ লগত কথা-বতৰা হৈ থকা সময়ত অসমৰ ৰাজ্যপাল আৰু কেন্দ্ৰৰ ৰাজ্যিক দপ্তৰৰ গৃহমন্ত্ৰীয়ে তেখেতক দেখা কৰিবলৈ যাওঁতে পিয়ন চকীদাৰক খেদা দি তেওঁলোকক হাতৰ ঠাঁৰেৰে ওলাই যাবলৈ ইংগিত দিছিল। অৱশ্যে প্ৰধানমন্ত্ৰীয়ে মোৰ লগত প্ৰায় এঘণ্টা সময় যিখিনি কথা পাতিছিল, সেইখিনি যথেষ্ট গোপনীয় আছিল। তেওঁৰ উদ্দেশ্য আছিল মোক কংগ্ৰেছী ৰাজনীতিলৈ নিয়া। কিন্তু ১৯৮৪ চনত তেখেতৰ মৃত্যু হ'ল। তেখেত জীয়াই থকা হ'লে কথা যে অলপ বেলেগ হ'লহেঁতেন, সেই কথা ভাবিব পাৰি।

❖ ছাৰ, ৰাজনীতিৰ এটা কথা সুধিব বিচাৰিছো। ১৯৬৮ চনৰ পৰা এই ২০১৭ চনলৈকে আপোনাৰ সাংবাদিকতা জীৱনত দীৰ্ঘকালীন-হ্ৰস্বকালীন সামৰি অসমৰ মুঠ ১২ জন মুখ্যমন্ত্ৰীৰ কাৰ্যকাল আপুনি দেখিছে (বিমলা প্ৰসাদ চলিহাৰপৰা সৰ্বানন্দ সোণোৱাললৈকে)। তুলনামূলকভাৱে কোনজন মুখ্যমন্ত্ৰীৰ কৰ্মশৈলী আপোনাৰ দৃষ্টিত শ্ৰেষ্ঠ আৰু কিয়?

■ ১৯৬৮ চনৰপৰা মই যিসকল মুখ্যমন্ত্ৰী দেখিলো, তাৰ ভিতৰত বিমলা প্ৰসাদ চলিহাৰ ব্যক্তিত্বই মোক খুব মুগ্ধ কৰিছিল। বিৰাট ব্যক্তিত্ব সম্পন্ন, খুব সংস্কৃতিবান আৰু দুৰ্নীতিৰপৰা সম্পূৰ্ণ মুক্ত ব্যক্তি আছিল চলিহাদেৱ। তেখেতৰ দিনত খুব বেছি দুৰ্নীতি হ'ব পৰা নাছিল। তদুপৰি, অসমৰ যিকেইজন ৰাজনৈতিক নেতাক মই খুব ভাল পাওঁ আৰু আন্তৰিকতাৰে শ্ৰদ্ধা কৰোঁ, তাৰ ভিতৰত এগৰাকী অন্যতম হ'ল মহেন্দ্ৰমোহন চৌধুৰী। তেখেতে যদি পূৰ্ণ কাৰ্যকাল পালেহেঁতেন, তেতিয়া মই ভাবো যে তেখেতে অসমৰ বাবে বহুত ভাল কাম কৰিব পাৰিলেহেঁতেন। তৃতীয়তে, আৰু এগৰাকী মুখ্যমন্ত্ৰীক মই খুব শ্ৰদ্ধা কৰিছিলো। তেখেত হ'ল গোলাপ বৰবৰা। তেখেত খুব আদৰ্শবাদী, দুৰ্নীতিমুক্ত আৰু সৎ স্বভাৱৰ ব্যক্তি আছিল। কিন্তু তেখেতেও মাত্ৰ ওঠৰ মাহ সময়হে পালে। গতিকে এই তিনিওগৰাকী মুখ্যমন্ত্ৰীকে মই বেলেগ বেলেগ দিশৰপৰা শ্ৰেষ্ঠ বুলি ভাবো।

❖ ছাৰ, ২০১৪ চনৰ লোকসভা নিৰ্বাচনত আপুনি নৰেন্দ্ৰ মোডীৰ সপক্ষে ভোটদান কৰিব বুলি ৰাজহুৱাকৈ লিখিছিল। তিনি বছৰ পাৰ হ'ল। ২০১৯ চনৰ লোকসভা নিৰ্বাচনত আপুনি আকৌ নৰেন্দ্ৰ মোডীৰ সপক্ষে ভোটদান কৰিব বুলি ভাবিব পাৰেনে?

■ মইতো ২০১৯ চনত নৰেন্দ্ৰ মোডীক সমৰ্থন কৰিম বুলি নাভাবোৱেই, বৰঞ্চ এতিয়া যদি নিৰ্বাচন হয়, তেওঁ বিৰুদ্ধেই মোৰ ভোটটো যাব। ২০১৪ চনৰ নিৰ্বাচনৰ আগত মই যদিও মোডীৰ সপক্ষে লিখিছিলো, লগতে তেওঁৰ বেয়াখিনিও লিখিছিলো। মোৰ এখন কিতাপত মই লিখিছিলো যে মই ভাৰতবৰ্ষৰ যি পাঁচজন ব্যক্তিক আটাইতকৈ বেছি ঘৃণা কৰো, তাৰ ভিতৰত এজন হ'ল নৰেন্দ্ৰ মোডী। কিন্তু তাৰ পিছতো একমাত্ৰ পৰিয়ালতান্ত্ৰিক শাসন ব্যৱস্থা উচ্ছেদ কৰিবৰ বাবেই মই মোডী প্ৰধানমন্ত্ৰী হোৱাটো বিচাৰিছিলো। কিন্তু যোৱা তিনি বছৰে যিবিলাক ঘটনা ঘটিবলৈ ধৰিছে, ভাৰতবৰ্ষখনক প্ৰায় ধ্বংস কৰাৰ এটা প্ৰচেষ্টাই হাতত লোৱা যেন পাওঁ। গতিকে, এতিয়াতো তেওঁ মোৰ ভোটটো নাপায়েই, পাৰিলে মই তেওঁৰ বিৰুদ্ধে প্ৰচাৰ অভিযানেই চলাম।

❖ বৰ্তমানৰ ৰাজ্য চৰকাৰখনক শাসনলৈ অনাত আপোনাৰ ভূমিকা নাই বুলিলে ভুল হ'ব। চৰকাৰখনৰ এবছৰীয়া কাম-কাজ তথা কৰ্মপদ্ধতি সম্পৰ্কত আপোনাৰ মন্তব্য কি হ'ব?

■ ৰাজ্য চৰকাৰখনৰ প্ৰথম বছৰত যিখিনি কাম-কাজ হৈছে, গতানুগতিক কামেই হৈ আছে। তাৰ ভিতৰতে দুৰ্নীতিৰ বিৰুদ্ধে যি অভিযান চলাইছে, তাক স্বীকাৰ কৰিব লাগিব। কিন্তু সেইটো হ'লেও আমি চৰকাৰক প্ৰশংসা কৰিব নোৱাৰো। কাৰণ, অনেক সময়ত দেখা গৈছে যে দুৰ্নীতিৰ ৰথখন ৰাজনৈতিক নেতাৰ পদূলি পোৱাৰ লগে লগেই তাৰ গতি বন্ধ হয়। অলপ দিন আগতে এজন দক্ষ পুলিচ বিষয়াই যেতিয়াই তেওঁৰ কামত শক্তিশালী মানুহৰ গাত হাত দিলে, তেতিয়াই তেওঁক বদলি কৰি দিয়া হ'ল। গতিকে দুৰ্নীতিৰ বিৰুদ্ধে যি অভিযান, সেয়া বহু সময়ত প্ৰশংসনীয় হ'লেও ইয়াক কেন্দ্ৰ কৰি যি ৰাজনীতি চলিছে, সেইটোৱে খুব উজ্জ্বল ভৱিষ্যতৰ ইংগিত নিদিয়ে আৰু এই অভিযান এনেকৈ চলিলে সম্পূৰ্ণ ব্যৰ্থ হ'ব বুলি মই ভাবো।

❖ ছাৰ, আজিৰ প্ৰেক্ষাপটত ভাৰতৰ দৰে বহুদলীয় ব্যৱস্থা থকা দেশত সমাজ/জনতাক বাদ দি কাৰোৱে পক্ষ নোলোৱাকৈ ৰাজনৈতিক সাংবাদিকতা সম্ভৱনে?


■ সাংবাদিকৰ ঘোষিত নীতিয়েই হৈছে যে তেওঁলোকে সত্যৰ পক্ষ ল'ব। পৃথিৱীৰ কোনো দেশতেই, কোনো যুগতেই সাংবাদিকে কোনো ৰাজনৈতিক দলৰ পক্ষ ল'ব নোৱাৰে। প্ৰকৃত সাংবাদিকে সদায় ৰাইজৰ পক্ষ ল'ব লাগিব। কোনো দলে বা চৰকাৰে যি ভাল কাম কৰে, তেতিয়া সমৰ্থন কৰিব আৰু বেয়া কাম কৰিলে সাংবাদিকে সমালোচনা কৰিব। খুব কম সাংবাদিক আছে, যিসকলে কোনো এটা বিশেষ ৰাজনৈতিক দলক সমৰ্থন কৰে। কিন্তু তেওঁলোকক ৰাইজেই প্ৰত্যাখ্যান কৰিব।


❖ অসম সাহিত্য সভাৰ বিগত ২০ বছৰ যদি চোৱা যায়, আপোনাক বহুতে শ্ৰেষ্ঠ সভাপতি বুলি ক'ব বিচাৰে ; বিশেষকৈ বিশ্বকোষ প্ৰকাশৰ ক্ষেত্ৰত আপোনাৰ বলিষ্ঠ পদক্ষেপ আৰু ভূমিকাৰ বাবে। আজিৰ অসম সাহিত্য সভাক লৈ আপোনাৰ প্ৰতিক্ৰিয়া কি?

■ মই শ্ৰেষ্ঠ সভাপতি হয় নে নহয় নাজানো। এইটো ঠিক যে অসম সাহিত্য সভাৰ এশ বছৰীয়া ইতিহাসত 'বিশ্বকোষ' ৰচনা যে এটা অতি গুৰুত্বপূৰ্ণ কাম, তাক কোনেও অস্বীকাৰ কৰিব নোৱাৰে। সেইক্ষেত্ৰত মই কিছু ব্যক্তিগত কৃতিত্ব দাবী কৰিব পাৰো। অসম প্ৰকাশন পৰিষদেও এবাৰ বিশ্বকোষ ৰচনা কৰিবলৈ আঁচনি লৈছিল আৰু সেই সময়ত ময়ো তাৰ সদস্য আছিলো। তেতিয়া চৰকাৰেও ইয়াৰ বাবে প্ৰচুৰ টকা দিছিল। তৎসত্ত্বেও পৰিষদে মাত্ৰ যি এটা খণ্ড উলিয়াইছিল, তাতো কিছু ভুল থাকি গ'ল। উদাহৰণস্বৰূপে, গল্পকাৰ

“

**আমাৰ ছাত্ৰ-ছাত্ৰীয়ে বোধহয় এঘণ্টাও নপঢ়ে। এটা কথা মনত ৰাখিবা যে কঠোৰ পৰিশ্ৰমৰ কোনো বিকল্প নাই।**





ৰাধিকামোহন গোস্বামীৰ ঠাইত ৰাধিকামোহন ভাগৱতী হ'ল ; যিটো এখন বিশ্বকোষৰ পক্ষে এটা অমাৰ্জনীয় অপৰাধ। গতিকে, অসম সাহিত্য সভাৰ এশ বছৰীয়া ইতিহাসত বিশ্বকোষ প্ৰণয়ন এটা অতি উজ্জ্বল অধ্যায়।

বৰ্তমান অসম সাহিত্য সভাক মই মোৰ জীৱনৰ পৰা, অন্তৰৰ পৰা সমূলি বিসৰ্জন দিছো। ইয়াতকৈ ডাঙৰ সমালোচনা একোৱেই হ'ব নোৱাৰে। মুঠতে, মোৰ কাৰণে বৰ্তমান অসম সাহিত্য সভাৰ কোনো অস্তিত্ব নাই।

❖ ছাৰ, আপুনি যেতিয়া সাংবাদিকতা আৰম্ভ কৰিছিল, তেতিয়া সংবাদ জগতত কেৱল ছপা মাধ্যমৰহে গুৰুত্ব আছিল। এতিয়া আহিল বৈদ্যুতিন মাধ্যম। ক্ৰমাৎ নিউজ চেনেলৰ সংখ্যা যি হাৰত বৃদ্ধি পাইছে, সিয়ে ছপা মাধ্যমক কিছু পৰিমাণে নিস্তেজ কৰিছে নেকি? কোনখন ক্ষেত্ৰৰ ভৱিষ্যৎ উজ্জ্বল বুলি ভাবে?


■ এটা কথা মানুহে খুব ভুল কৰে যে ইলেকট্ৰনিক মাধ্যম অৰ্থাৎ টেলিভিছনৰ লগত বাতৰি কাকত হাৰি যাব। প্ৰথম অৱস্থাত যেতিয়া নতুনকৈ বস্তু এটা আহে, মানুহ মোহাচ্ছন্ন হোৱাটোৱেই স্বাভাৱিক। দ্বিতীয়তে, টেলিভিছনৰ লগত সংবাদ পত্ৰৰ কোনো প্ৰতিযোগিতা হ'ব নোৱাৰে। দুয়োটা বেলেগ বস্তু। টেলিভিছনত মানুহে চমুকৈ খবৰটো পায়, কিন্তু তাৰ পটভূমিত কি ঘটনা আছে, তাৰ তাৎপৰ্য কি সেইকথা টেলিভিছন চাই বুজিবৰ কোনো উপায় নাই। টেলিভিছনত যিবিলাক পেনেল আলোচনা, হাই-কাজিয়া, তৰ্ক-বিতৰ্ক হয়, সেইবিলাক চাই মানুহে স্ফূৰ্তি পায় ; কিন্তু তাৰপৰা শিকিবলগীয়া কোনো কথা বিচাৰি নাপায়। ৰাতি টেলিভিছন চাই যিসকল মানুহে বাতৰি শুনে, তেওঁলোকেও ৰাতিপুৱাৰ বাতৰি কাকতখনলৈ অপেক্ষা কৰি থাকে। কাৰণ তাতহে আচল ব্যাখ্যাটো বিচাৰি পোৱা যায়। প্ৰথম অৱস্থাত মানুহে টেলিভিছন চাই বাতৰি কাকতক অৱহেলা কৰাৰ নিচিনা হৈছিল যদিও অতি সোনকালে বুজি উঠিলে যে বাতৰি কাকতক বাদ দি আধুনিক সভ্য সমাজ চলিব নোৱাৰে। গতিকে প্ৰতিযোগিতাৰ কোনো প্ৰশ্নই নাই। দুয়োটাই থাকিব আৰু দুয়োটাৰে নিজস্ব ধৰ্ম আৰু নিজস্ব আকৰ্ষণ আছে।

❖ জীৱনটোক লৈ আপুনি সুখী নে?

■ অসমীয়া ভাষাত দুটা বিষয়ৰ ওপৰত মোৰ বাহিৰে আন কোনেও লিখা নাই। ঈশ্বৰৰ বিষয়ে মই পাঁচখন আৰু সুখৰ বিষয়ে চাৰিখন ৰচনা লিখিছো। বিখ্যাত ইংৰাজ সমালোচক উইলিয়াম হেজলিটৰ জীৱনটো বহুত দুখ-কষ্টেৰে ভৰা আছিল। তেখেত ধৰুৱা আছিল, বেমাৰী আছিল, পত্নীৰ লগত প্ৰায়ে কাজিয়া হৈছিল, মানুহৰ লগত মিলিব নোৱাৰিছিল অৰ্থাৎ অশান্তিৰে জৰ্জৰিত জীৱন আছিল। তথাপি মৃত্যুৰ সময়ত তেখেতে কৈছিল যে তেখেতৰ জীৱনটো মোটামুটি সুখতেই গ'ল। আনকি ভাৰতৰ বিশ্ববিখ্যাত কবি ৰবীন্দ্ৰনাথ ঠাকুৰৰ জীৱনতো ইমান বেছি কষ্ট হৈছিল যে তেখেতে কে'বাবাৰো আত্মহত্যাৰ কথা চিন্তা কৰিছিল। গতিকে এইসকলৰ বিপৰীতে মোৰ জীৱনটো সকলো দিশৰপৰাই সুখৰ বুলি দাবী কৰিব পাৰো। চিন্তা কৰি উচ্চ জীৱন-যাপন কৰা এজন মানুহৰ কিছুমান মানসিক যন্ত্ৰণা থাকিব পাৰে, কাৰণ সকলোৰে জীৱনত ঘাত-প্ৰতিঘাত থাকিবই। গতিকে সকলো যোগ-বিয়োগ কৰি ক'ব পাৰি যে সুখী হোৱাৰ মোৰ সম্পূৰ্ণ অধিকাৰ আছে।

❖ ছাৰ, শেষত আজিৰ ছাত্ৰ সমাজৰ প্ৰতি আপুনি কি আহ্বান জনাব?

■ অসমীয়া ছাত্ৰ সমাজে যিমান পৰিশ্ৰম কৰা উচিত, তাতোকৈ বহুত কম পৰিশ্ৰম কৰে। মোৰ বাল্যকালৰ বন্ধু, দাৰ্শনিক আৰু পথ প্ৰদৰ্শক ক্ষীৰোদ গগৈ নামৰ এজন ল'ৰাই কটন কলেজলৈ পঢ়িবলৈ আহি প্ৰায়ে মোলৈ চিঠি-পত্ৰ দিছিল। মই তেতিয়া হাইস্কুলত পঢ়ি আছিলো। তেওঁ দ্বিতীয় বাৰ্ষিকত থাকোতে মোলৈ দিয়া এখন চিঠিত লিখিছিল, 'জানা হোমেন, মই ইয়াত এখন কিতাপ পঢ়ি গম পালো যে জাৰ্মান ছাত্ৰসকলে গড় হিচাপে প্ৰত্যেক দিনা যোল্ল ঘণ্টাকৈ পঢ়ে বা পৰিশ্ৰম কৰে। আমাৰ ছাত্ৰ-ছাত্ৰীয়ে বোধহয় এঘণ্টাও নপঢ়ে। এটা কথা মনত ৰাখিবা যে কঠোৰ পৰিশ্ৰমৰ কোনো বিকল্প নাই।' মোৰ নিজৰো এতিয়া ভাব হয় যে আমি যিমান পৰিশ্ৰম কৰিব লাগে, তাৰ এশ ভাগৰ এভাগো বোধহয় নকৰোঁ। মই ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰতি নিৰ্মম হ'ব বিচৰা নাই। কিন্তু তেওঁলোকে যদি ছাত্ৰ অৱস্থাতে কঠোৰ পৰিশ্ৰম নকৰে, পিছত একো কৰিব নোৱাৰিব। গতিকে তেওঁলোকক মই কঠোৰ পৰিশ্ৰম কৰিবলৈ আহ্বান জনাওঁ।



চুটিগল্প

# মদিৰা

**ড° আবুল হুছেইন**
সহযোগী অধ্যাপক, ৰসায়ন বিজ্ঞান বিভাগ

মদিৰা অতি ধুনীয়া। যৌৱনৰ দুৱাৰদলিত। তাই মাজে মাজে হতাশ হৈ পৰে। জীৱনৰ প্ৰতি তাই কেতিয়াবা ক্ষুণ্ণ হৈ পৰে। মন ভাঙি যায়।  কোনোবাই তাইক জন্মৰ কথা সুধিলে কেৱল এইখিনিকেই কয় যে ডাঙৰ 'বাৰিষা' হোৱাৰ বছৰত তাইৰ জন্ম হৈছিল। ১৯৮৮ চনত ডাঙৰ 'বাৰিষা' হৈছিল, ১৯৯২ চনতো ডাঙৰ 'বাৰিষা' হৈছিল। মদিৰাক দেখিলে সকলোৱে ক'ব যে তাইৰ বয়স চৈধ্যৰ ওপৰত হ'ব নোৱাৰে। উঠন বুকু আৰু শৰীৰৰ গঠন চাই ধাৰণা হ'ব যে মদিৰা নিশ্চয় ১৯৯২ চনৰ বাৰিষাতহে জন্মিছিল। মদিৰাৰ বয়সৰ কথা তাইৰ মাকক সুধিলে এটাই উত্তৰ পোৱা যায় যে গৰমৰ দিনত বাৰিষাকালতহে মদিৰাৰ জন্ম হৈছিল। সম্ভৱতঃ মদিৰাৰ জন্ম জুন বা জুলাই মাহৰ ভিতৰতেই হৈছিল। জন্মৰ সঠিক তাৰিখ তথ্য একো নাই। মদিৰাৰ কেতিয়াবা ভাব হয় যে দুৰ্যোগৰ সময়ত তাইৰ জন্ম হৈছিল বাবেই তাই দুৰ্ভগীয়া। নহ'লেনো তাইৰ সমবয়সীয়া ছোৱালীজনীৰ কাপোৰ ধুই দিয়া, জোতা পলিচ কৰি দিয়া, বেগত কিতাপ-পত্ৰ, খাতা ভৰাই দিয়া স্কুলৰ টিফিন বনাই দিয়াকে ধৰি এখন ঘৰৰ যাৱতীয় কামখিনি দিনটোত জিৰণী নোলোৱাকৈ বাধ্য গোলামৰ দৰে কৰিব লাগেনে! মাহটো শেষ হ'লেই মদিৰাৰ মাক দেখা কৰিবলৈ আহে, মাকক দেখিলেই তাইৰ বুকুখন ফাটি যায় কিন্তু একো ক'ব নোৱাৰে। মাকৰ ওচৰত গৈ অকণমান থিয় হ'লেই ঘৰৰ গৃহিণীৰ চকুৰফালে তাই চাব নোৱাৰে। গৃহিণীৰ সৈতে অলপ কথা পাতি বেকাৰীৰ বিস্কুট দুটাৰে চাহ একাপ খায়, চাহকাপ খাই তৃপ্তি লৈ মুখৰ পৰা আখৈফুটাদি কথা কেইষাৰ কৈ পেলায়। 'মোৰ ছোৱালী আপোনাৰ ঘৰত সুখত আছে। মই নিশ্চিত, কোনো চিন্তা নাই। মোৰ তাত থাকিলে তাইৰ কষ্ট হয়, ইয়াতে